

# ধূপধৰাৰ বিকালী কলেজত গুৰুত্বপূৰ্ণ বক্তৃতানুষ্ঠান

নিয়মীয়া বাৰ্তা, ধূপধৰা, ৩ জানুৱাৰী ঃ গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ধূপধৰাৰ বিকালী মহাবিদ্যালয়ত অলপতে 'অনুবাদৰ ৰূপ বৈচিত্ৰ্য' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানত অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ৰুকুনুদ্দিন আহমেদে অসমীয়া ভাষা-সাহিত্যত অনুবাদৰ বৈচিত্ৰ্য সম্পৰ্কে বিতংভাৱে বক্তৃতা প্ৰদান কৰে। তেওঁৰ বক্তৃতাত অসমীয়া ভাষা-সাহিত্যত অনুবাদৰ ব্যৱহাৰ, ইয়াৰ প্ৰয়োজনীয়তা, ইয়াৰ গুৰুত্ব আৰু ইয়াৰ যি বৈচিত্ৰ্য সম্পৰ্কে খৰচি মাৰি ব্যাখ্যা আগবঢ়ায়। বক্তৃতানুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মনোজ গগৈয়ে। উল্লেখ্য যে অধ্যাপক ৰুকুনুদ্দিন আহমেদ বিকালী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেওঁ ২০০৯ চনত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিকালী মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈছিল আৰু অসমৰ ভিতৰত দশম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে স্নাতক চূড়ান্ত পৰীক্ষাত বিকালী মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ অসমীয়া বিভাগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। এইগৰাকী প্ৰাক্তন মেধাৰী ছাত্ৰ তথা বৰ্তমান অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ৰুকুনুদ্দিন আহমেদৰ বক্তৃতানুষ্ঠানৰ জৰিয়তে যাতে মহাবিদ্যালয়খনৰ শৈক্ষিক দিশ উন্নত হয় আৰু ছাত্ৰ-ছাত্ৰীসকলে অনুপ্ৰেৰণা লাভ কৰে সেই উদ্দেশ্যে এই বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মনোজ গগৈয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। বক্তৃতানুষ্ঠানত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। অধ্যাপক ৰুকুনুদ্দিন আহমেদে বক্তৃতা প্ৰদান কৰাৰ পিছত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ মাজত এক মত বিনিময়ৰ জৰিয়তে ভাবৰ আদান-প্ৰদান কৰা হয়।